**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। লোকসভাত কালি অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়।

২। ২০২৯ চনৰ ভিতৰত ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানিৰ পৰিমাণ ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি পাব বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে পশ্চিমবংগ আৰু ঝাৰখণ্ডলৈ ৰাওনা হ'ব।

৪। ভাৰতৰ স্বাতিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটো চলিত বৰ্ষৰ মাকাউ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। *আৰু*

৫। ২০২৬ বৰ্ষৰ মহিলাৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাত ভাৰতে জাপান, ভিয়েটনাম আৰু চীনা টাইপেইৰ সৈতে গ্ৰুপ-চিত স্থান লাভ কৰিছে।

ooooo

লোকসভাত কালি অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে বিশ্বৰ কোনো নেতাই ভাৰতক এই অভিযান বন্ধ কৰিবলৈ কোৱা নাই। আমেৰিকা যুক্তৰাষ্ট্ৰৰ হেঁচাত পাকিস্তানৰ সৈতে সংঘৰ্ষ বিৰামৰ বাবে দেশে সন্মতি প্ৰদান কৰা বুলি বিৰোধীয়ে অভিযোগ উত্থাপন কৰাৰ সময়তে প্ৰধানমন্ত্ৰীগৰাকীৰ এই মন্তব্যক তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। তেওঁ কয়, যে পাকিস্তানী পক্ষই আৰু অধিক কষ্ট সহ্য কৰিব নোৱাৰি বুলি ভাৰতক এই অভিযান বন্ধ কৰিবলৈ অনুৰোধ জনাইছিল। শ্ৰীমোদীয়ে কয়, যে যদিহে পাকিস্তানে আক্ৰমণ কৰে, তেতিয়া প্ৰতিক্ৰিয়া হিচাপে ভাৰতে বৃহৎ প্ৰত্যাক্ৰমণ চলাব বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ-ৰাষ্ট্ৰপতিৰ সৈতে হোৱা আলোচনাৰ সময়তে স্পষ্ট কৰি দিয়া হৈছিল।

লোকসভাত অনুষ্ঠিত এই বিশেষ আলোচনাত ভাগ লৈ শ্ৰীমোদীয়ে কয়, যে অভিযানৰ সময়ত ভাৰতে পাকিস্তানৰ সীমাৰ ভালেখিনি ভিতৰত থকা সন্ত্ৰাসবাদীৰ শিবিৰসমূহ ধ্বংস কৰিছিল। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ প্ৰত্যুত্তৰ হিচাপে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে মাত্ৰ ২২ মিনিটৰ ভিতৰতে এই অভিযান সম্পূৰ্ণ কৰা বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰতে কোনোধৰণৰ পাৰমাণৱিক ভাবুকিৰ আগত শিৰনত নকৰে বুলি বিশ্বৰ আগত স্থিতি স্পষ্ট কৰি দিছে। সন্ত্ৰাসবাদীৰ আক্ৰমণ হ'লে দেশে নিজৰ ধৰণেৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব বুলি সিন্দূৰ অভিযানৰ জৰিয়তে স্পষ্ট কৰি দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয়, যে ভাৰতে সন্ত্ৰাসবাদৰ আঁৰত থকা ব্যক্তি আৰু সন্ত্ৰাসবাদীক সমৰ্থন কৰা চৰকাৰক পৃথক সত্বা হিচাপে গণ্য নকৰে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে এই অভিযানৰ সময়ছোৱাত আত্মনিৰ্ভৰশীল ভাৰতৰ শক্তি সমগ্ৰ বিশ্বই প্ৰত্যক্ষ কৰিছিল আৰু ভাৰতত নিৰ্মিত ড্ৰোন তথা ক্ষেপণাস্ত্ৰই পাকিস্তানৰ অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদৰ

সামৰ্থক উদঙাই দিছিল। এই অভিযানৰ সময়ত পাকিস্তানৰ বিমানকোঠ আৰু সা-সম্পত্তিৰ বিস্তৰ ক্ষতি হোৱা বুলি তেওঁ জানিবলৈ দিয়ে। ভাষণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীগৰাকীয়ে সিন্দূৰ অভিযানত কংগ্ৰেছে দেশক সমৰ্থন নকৰাৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয়, যে ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি কংগ্ৰেছৰ কেতিয়াও স্পষ্ট দৃষ্টিভংগী নাছিল আৰু কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰৰ দুৰ্বল শাসন ব্যৱস্থাৰ ফলত সন্ত্ৰাসবাদীয়ে বহু সাধাৰণ নাগৰিকৰ প্ৰাণ কাঢ়ি লৈছিল।

ইয়াৰ পূৰ্বে আলোচনাত ভাগ লৈ গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে লস্কৰ-ই-তৈবা সন্ত্ৰাসবাদী গোটে পেহেলগাম আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিবৰ দিনাই কেন্দ্ৰীয় চৰকাৰে দেশৰ নাগৰিকসকলৰ প্ৰতি ন্যায় প্ৰদানৰ দায়িত্ব গ্ৰহণ কৰিছিল। ৭ মে'ৰ নিশা চলোৱা অভিযানত শতাধিক সন্ত্ৰাসবাদী নিহত হৈছিল বুলি শ্ৰীশ্বাহে প্ৰকাশ কৰে। তেওঁ কয়, যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি আহিছে। গৃহমন্ত্ৰীগৰাকীয়ে ভাষণৰ সময়ছোৱাত প্ৰাক্তন গৃহমন্ত্ৰী পি চিডাম্বৰমক এই অভিযানৰ প্ৰমাণ বিচৰাৰ বাবে সমালোচনা কৰে। তেওঁ কয়, যে সিন্দূৰ অভিযানে সমগ্ৰ বিশ্বৰ সন্মুখত পাকিস্তানৰ মুখা খুলি দিছে। সকলো কথাৰে ৰাজনীতিকৰণ কৰাৰ বাবে তেওঁ বিৰোধী দলৰ সমালোচনা কৰে।

আলোচনাত অংশ লৈ লোকসভাত বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে কয়, যে পাকিস্তানে এটা অমানৱীয় আক্ৰমণৰ পৰিকল্পনা কৰাৰ লগতে তাক ৰূপায়িত কৰে। সিন্দূৰ অভিযানৰ সময়ছোৱাত বিৰোধী দলসমূহ চৰকাৰৰ সৈতে শিলৰ দৰে থিয় হৈ আছিল বুলি প্ৰকাশ কৰে।

লোকসভাত কালি অনুষ্ঠিত এই আলোচনাত অংশ লৈ ডি এম কেৰ কে কানিমোঝীয়ে কয়, যে গৃহমন্ত্ৰী শ্ৰীশ্বাহে বিৰোধীৰ সমালোচনা কৰিছে আৰু অন্য দলসমূহক কম দেশপ্ৰেমী বুলি কোৱা যেন বোধ হৈছে। কিন্তু ডি এম কেই কেতিয়াও দেশক প্ৰতাৰণা কৰা নাই বুলি উল্লেখ কৰে। আলোচনাত অংশ লৈ সমাজবাদী পাৰ্টিৰ অখিলেশ যাদৱে সংঘৰ্ষ বিৰামৰ ঘোষণাক লৈ প্ৰশ্ন উত্থাপন কৰে। ভৱিষ্যতে দেশৰ নাগৰিকৰ সুৰক্ষাক লৈ চৰকাৰে কেনেধৰণৰ পদক্ষেপ লৈছে বুলিও তেওঁ প্ৰশ্ন কৰে। কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধীয়ে আলোচনাত ভাগ লৈ সশস্ত্ৰ বাহিনীসমূহৰ ভূমিকাৰ প্ৰশংসা কৰে। তেওঁ কয়, যে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হোৱা স্বত্বেও ঘটনা সংঘটিত হোৱা ঠাইত কোনোধৰণৰ চিকিৎসা ব্যৱস্থা নাছিল। জম্মু আৰু কাশ্মীৰত সুৰক্ষা নিশ্চিত কৰাত ব্যৰ্থ হোৱা বুলি তেওঁ চৰকাৰৰ সমালোচনা কৰে।

ইপিনে শিৱসেনাৰ শ্ৰীকান্ত সিন্দেই সিন্দূৰ অভিযানৰ পাছত বিশ্বৰ বিভিন্ন দেশলৈ গৈ ভাৰতৰ বাৰ্তা দিয়া প্ৰতিনিধি দলৰ অংশ হ'বলৈ সুযোগ দিয়া বাবে এন ডি এ চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। টি এম চিৰ চায়নি ঘোষে আলোচনাত ভাগ লৈ পেহেলগামত আৰক্ষীয়ে কিয় সময়মতে উপস্থিত হ'ব নোৱাৰিলে বুলি প্ৰশ্ন উত্থাপন কৰে। আলোচনাত বিজেপিৰ নিশিকান্ত ডুবে, ডি এম কেৰ এ ৰাজ্জাক, আই ইউ এম এলৰ মহম্মদ ৰাছিৰ, কংগ্ৰেছৰ কে চি বেণুগোপাল, শিৰোমণি আকালি দলৰ হৰচিমৰত কৌৰ বাদল আৰু সমাজবাদী পাৰ্টিৰ ডিম্পল যাদৱকে ধৰি ভালেসংখ্যক সাংসদে ভাগ লয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীৰ উত্তৰৰ পাছতে কালি আলোচনা স্থগিত ৰখা হয়।

০০০০০

ৰাজ্য সভাতো কালি ভাৰতৰ শক্তিশালী, সফল আৰু সুপৰিকল্পিত অপাৰেচন সিন্দূৰ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়। আলোচনাৰ পাতনি মেলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পেহেলগামত ২৬ গৰাকী লোকক নিৰ্মমভাৱে হত্যা কৰা তিনিজন সন্ত্ৰাসবাদীক নিৰ্মূল কৰাৰ বাবে ভাৰতীয় সেনা আৰু নিৰাপত্তা

বাহিনীসমূহক অভিনন্দন জনায়। তেওঁ কয়, যে যদিহে ভৱিষ্যতে পাকিস্তানে পুনৰ কোনোধৰণৰ আক্ৰমণ সংঘটিত কৰে, তেতিয়া ভাৰতেও সিন্দূৰ অভিযান পুনৰ আৰম্ভ কৰিবলৈ কুণ্ঠাবোধ নকৰিব। আলোচনাত শ্ৰীসিঙে কয়, যে ভাৰতত নিৰ্মিত প্ৰতিৰক্ষা সামগ্ৰীসমূহ চলিত বছৰত বিশ্বৰ প্ৰায় ১০০খন দেশলৈ ৰপ্তানি কৰা হৈছে। প্ৰতিৰক্ষা ৰপ্তানিয়ে বৰ্তমান ৩০ হাজাৰ কোটি টকা স্পৰ্শ কৰিছে আৰু ২০২৯ চনৰ ভিতৰত এই পৰিমাণ ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। কালি আলোচনাত ৰাজ্যসভাত বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, ডি এম কেৰ তিৰুচি শিৱা, আম আদমী পাৰ্টিৰ সঞ্জয় সিং, **ৱাই এছ আৰ চি পি-ৰ** ৱাই ভি চুববা ৰেড্ডী, বি জে ডিৰ শুভাশীষ খুন্টিয়া, **এ আই এ ডি এম কে**ৰ এম থাম্বিডুৰাই, জে ডি ইউৰ সঞ্জয় কুমাৰ ঝা, এন চি পিৰ প্ৰফুল পেটেল, জে এম এমৰ মহুৱা মাজিকে ধৰি ভালেকেইগৰাকী নেতাই অংশগ্ৰহণ কৰে। অৱশ্যে ৰাজ্যসভাৰ এই আলোচনাত কোনোধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নগ'ল। পাছত আজি দিনৰ ১১ বজা পৰ্যন্ত ৰাজ্যসভাৰ উপাধ্যক্ষই আলোচনা স্থগিত ৰখা বুলি ঘোষণা কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে পশ্চিমবংগ আৰু ঝাৰখণ্ডলৈ ৰাওনা হ'ব। পশ্চিমবংগ ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতিগৰাকীয়ে কল্যাণীত থকা সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ প্ৰথম সমাৱৰ্তন সমাৰোহত অংশ ল'ব।

ঝাৰখণ্ডত ৰাষ্ট্ৰপতিগৰাকীয়ে দেওঘৰত থকা সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ প্ৰথম সমাৱৰ্তন সমাৰোহত ভাগ ল'ব। ইয়াৰ পাছত তেওঁ ধানবাদৰ আই এছ্ এমৰ ৪৫ সংখ্যক সমাৱৰ্তন সমাৰোহত ভাগ লোৱাৰ কথা আছে।

ooooo

ভাৰতৰ স্বাতিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটো চলিত বৰ্ষৰ মাকাউ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। প্ৰথম ৰাউণ্ডত ভাৰতৰ যুটীটোৱে মালয়েছিয়াৰ ল' হাং য়ি আৰু এং চিৱঙৰ যুটীটোক ৩৬ মিনিটৰ খেলত ২১-১৩, ২১-১৫ গেমত পৰাস্ত কৰে।

অৱশ্যে ইয়াৰ পূৰ্বে কালি মহিলাৰ ডাবলছৰ প্ৰথম ৰাউণ্ডত ভাৰতৰ ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো  চীনা টাইপেইৰ লীন ঝিয়াও মিন আৰু পেং য়ু ৱেইৰ বিৰুদ্ধে ২১-১৬, ২০-২২, ১৫-২১ গেমত পৰাজিত হয়।

ooooo

২০২৬ বৰ্ষৰ মহিলাৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাত ভাৰতে জাপান, ভিয়েটনাম আৰু চীনা টাইপেইৰ সৈতে গ্ৰুপ-চিত স্থান লাভ কৰিছে। অষ্ট্ৰেলিয়াৰ ছিডনীত থকা টাউন হলত কালি প্ৰতিযোগিতাৰ বাবে ড্ৰ অনুষ্ঠিত হয়।

এইবেলি প্ৰথমবাৰৰ বাবে ভাৰতে যোগ্যতাৰ ভিত্তিত প্ৰতিযোগিতাখনত স্থান নিশ্চিত কৰিছে। ইয়াৰ আগৰ সংস্কৰণত ভাৰতে আয়োজক দেশ হিচাপে প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিছিল।

প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া দলসমূহক তিনিটা গ্ৰুপত বিভক্ত কৰা হৈছে। ইয়াৰে গ্ৰুপ-এত অষ্ট্ৰেলিয়া, কোৰিয়া গণৰাজ্য অৰ্থাৎ দক্ষিণ কোৰিয়া, ইৰান আৰু ফিলিপিনছ্ আছে। ইপিনে গ্ৰুপ-বিত ডি পি আৰ কোৰিয়া অৰ্থাৎ উত্তৰ কোৰিয়া, চীন, বাংলাদেশ আৰু উজবেকিস্তানক ৰখা হৈছে।

০০০০০

ব্ৰাজিলৰ ফজ ড’ ইগোৱাছ’ত আজিৰে পৰা চলিত বৰ্ষৰ ডব্লিউ টি টি ষ্টাৰ কণ্টেণ্ডাৰ টেবুল টেনিছ প্ৰতিযোগিতা আৰম্ভ হ’ব।

প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত মানৱ থক্কৰ, হৰমিত দেশাই, মনুছ শ্বাহ, স্নেহিত ছুৰাভাজ্জুলা, পায়ছ জৈন আৰু অংকুৰ ভট্টাচাৰ্যীয়ে দেশক প্ৰতিনিধিত্ব কৰিব।

মহিলাৰ ছিংগলছত আগশাৰীৰ মণিকা বাট্ৰাৰ উপৰি ঐহিকা মুখাৰ্জী, দিয়া ছিতালে, য়শস্বীনী ঘোৰপাড়ে আৰু স্বস্তিকা ঘোষে দেশৰ প্ৰত্যাখাৰ ভৰ বহন কৰিব।

পুৰুষৰ ডাবলছত মানৱ থক্কৰ আৰু মনুছ শ্বাহ, পায়ছ জৈন আৰু অংকুৰ ভট্টাচাৰ্যী আৰু হৰমিত দেশাই আৰু স্নেহিত ছুৰাভাজ্জুলাই দেশৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিব।

ইপিনে মহিলাৰ ডাবলছ দিয়া ছিতালে আৰু য়শস্বীনী ঘোৰপাড়েৰ যুঁটীটোৱে দেশলৈ সুনাম কঢ়িয়াই অনাৰ প্ৰয়াস কৰিব।

প্ৰতিযোগিতাৰ মিক্সড ডাবলছ শিতানত ভাৰতৰ হৈ দুটা দল অৱতীৰ্ণ হ’ব। ইয়াৰে প্ৰথমটো দলত দিয়া ছিতালে আৰু মনুছ শ্বাহ আৰু দ্বিতীয়টো দলত হৰমিত দেশাই আৰু য়শস্বীনী ঘোৰপাড়ে আছে।

০০০০০

সমাপ্ত